# NSD NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 29-06-2025

**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত আজি স্বাস্থ্যখণ্ডৰ পৰা আৰম্ভ কৰি সামাজিক সুৰক্ষা পৰ্যন্ত সকলো দিশতে ভাৰতবৰ্ষই সম্প্ৰতি পৰিপূৰ্ণতা লাভ কৰাটো সামাজিক সুৰক্ষাৰ অন্যতম দৃষ্টান্ত হিচাপে পৰিগণিত হৈছে বুলি মত প্ৰকাশ কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈৰ পৰা দুদিনীয়া ভ্ৰমণসূচীৰে উত্তৰ প্ৰদেশলৈ যাব।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি তেলেংগানাৰ নিজামাবাদৰ ৰাষ্ট্ৰীয় হালধী বোৰ্ডৰ মুখ্য কাৰ্যালয়টো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

৪। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ধৰমশালাৰ তপোবনত কাইলৈ Commonwealth Parliamentary Associationৰ দ্বিতীয় মণ্ডলৰ বাৰ্ষিক সন্মিলন মুকলি কৰিব। ***আৰু***

৫। বাৰ্লিনত অনুষ্ঠিত মহিলাৰ এফ আই এইছ প্ৰ' লীগ হকী প্ৰতিযোগিতাত আজি ভাৰতে নিজৰ অন্তিমখন খেলত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত আজি স্বাস্থ্যখণ্ডৰ পৰা আৰম্ভ কৰি সামাজিক সুৰক্ষা পৰ্যন্ত সকলো দিশতে ভাৰতবৰ্ষই সম্প্ৰতি পৰিপূৰ্ণতা লাভ কৰাটো সামাজিক সুৰক্ষাৰ অন্যতম দৃষ্টান্ত হিচাপে পৰিগণিত হৈছে বুলি মত প্ৰকাশ কৰে। আন্তৰাষ্ট্ৰীয় শ্ৰম সংগঠন আই এল অ'ৰ প্ৰতিবেদনৰ উদ্ধৃতিৰে তেওঁ ভাৰতত সামাজিক সুৰক্ষা আঁচনিৰ সফল ৰূপায়ণৰ বিষয়ে ব্যাখ্যা কৰে। দেশৰ ৬৪ শতাংশতকৈও অধিক লোক সম্প্ৰতি সামাজিক সুৰক্ষা আঁচনিৰ জৰিয়তে উপকৃত হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে ২০১৫ চনলৈকে ২৫ কোটিতকৈও কম সংখ্যক লোক এনে আঁচনিৰ জৰিয়তে উপকৃত হোৱাৰ বিপৰীতে সম্প্ৰতি প্ৰায় ৯৫ কোটি লোকে এই আঁচনিসমূহৰ সুবিধা লাভ কৰাৰ তথ্য সদৰি কৰে।

অসমৰ বড়োলেণ্ডৰ ফুটবলৰ ক্ষেত্ৰখনক ভূয়সী প্ৰশংসা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই অঞ্চলটো সম্প্ৰতি নতুন পৰিচয়েৰে উদ্ভাসিত হৈ পৰিছে। এই অঞ্চলটোৰ যুৱচামে ফুটবলৰ পথাৰত সকলোৰে দৃষ্টি আকৰ্ষণ কৰা বুলি মত প্ৰকাশ কৰি প্ৰসংগক্ৰমে তেওঁ হলীচৰণ নাৰ্জাৰী, দুৰ্গা বড়ো, অপূৰ্ণা নাৰ্জাৰী, মনবীৰ বসুমতাৰীকে ধৰি কেইবাগৰাকীও আগশাৰীৰ ফুটবল খেলুৱৈৰ নামো উল্লেখ কৰে। বিটিআৰ এলেকাত আয়োজন কৰা বড়োলেণ্ড চি ই এম কাপ প্ৰতিযোগিতাক ঐক্য আৰু আশাৰ উদ্‌যাপন বুলি অভিহিত কৰি তেওঁ কয় যে এই প্ৰতিযোগিতাত ৩ হাজাৰ ৭০০ টা দলৰ প্ৰায় ৭০ হাজাৰ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। অংশগ্ৰহণকাৰীসকলৰ মাজত বৃহৎ সংখ্যক মহিলা খেলুৱৈও থকাৰ বিষয়ে উল্লেখ কৰি এই প্ৰতিযোগিতাত তেওঁ বড়োলেণ্ডৰ বৃহৎ পৰিৱৰ্তন বুলি আখ্যা দিয়ে। দেশৰ ক্ৰীড়া মানচিত্ৰত বড়োলেণ্ড অঞ্চলটো দ্ৰুত গতিত উদ্ভাসিত হৈ আহিছে বুলিও শ্ৰীমোদীয়ে মত প্ৰকাশ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজিৰ মন কী বাত অনুষ্ঠানত চত্ৰপতি সম্ভাজী নগৰ জিলাৰ এখন সৰু গাওঁ পাটোডাৰ কথা বিশেষভাৱে উল্লেখ কৰাত সমগ্ৰ মহাৰাষ্ট্ৰই গৌৰৱবোধ কৰিছে। প্ৰধানমন্ত্ৰীয়ে স্বচ্ছতা আৰু পৰিবেশ সংৰক্ষণৰ উৎকৃষ্ট কাম-কাজেৰে গাওঁখন কাৰ্বনমুক্ত হিচাপে গঢ়ি তোলাৰ বাবে প্ৰশংসা কৰিছে। এই গাওঁখন আন লোকৰ বাবেও এটা ডাঙৰ উদাহৰণ হৈছে বুলি প্ৰকাশ কৰে। এই গাওঁখনত কোনো এঘৰ লোকে আৱৰ্জনা তেওঁলোকৰ বাসগৃহৰ বাহিৰলৈ নিষ্কাষণ নকৰে। গাঁৱখনৰ প্ৰতিঘৰ লোকৰ পৰাই উন্নত ব্যৱস্থাপনাৰে আৱৰ্জনাসমূহ সংগ্ৰহ কৰা হয়। গাঁৱখনৰ ব্যৱহৃত প্ৰদূষিত পানী শোধন কৰাৰ পাছত নৈত পেলোৱাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে গাঁৱখনৰ লোকৰ শেষকৃত্য কাঠৰ পৰিৱৰ্তে গৰু গোবৰ ব্যৱহাৰ কৰি দাহন কৰা হয়। ইয়াৰ পাছত সেই স্থানত এজোপা গছপুলি ৰোপণ কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে এনে সৰু আৰু ভাল অভ্যাসে প্ৰতিগৰাকী লোকৰ জীৱনলৈ বৃহৎ পৰিৱৰ্তন কঢ়িয়াই অনা কাৰ্যক প্ৰশংসা কৰিছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈৰ পৰা দুদিনীয়া ভ্ৰমণসূচীৰে উত্তৰ প্ৰদেশলৈ যাব। বৰেলীত ভাৰতীয় পশু চিকিৎসা গৱেষণা প্ৰতিষ্ঠানৰ একাদশ সমাৱৰ্তন অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে ভাগ লব। একেদিনাই গোৰখপুৰ এইমছৰ প্ৰথম সমাৱৰ্তন অনুষ্ঠানতো ৰাষ্ট্ৰপতিগৰাকীয়ে অংশগ্ৰহণ কৰিব। পৰহিলৈ ৰাষ্ট্ৰপতি মুৰ্মুৱে গোৰখপুৰত মহাযোগী গুৰু গোৰখনাথ আয়ুষ বিশ্ববিদ্যালয় উদ্বোধন কৰিব। তেওঁ লগতে গোৰখপুৰৰ মহাযোগী গোৰখনাথ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহ, শৈক্ষিক গৃহ আৰু পঞ্চকৰ্ম কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে ছাত্ৰীসকলৰ বাবে আৱাসিক গৃহৰ আধাৰশিলা স্থাপন কৰিব।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি তেলেংগানাৰ নিজামাবাদৰ ৰাষ্ট্ৰীয় হালধী বোৰ্ডৰ মুখ্য কাৰ্যালয়টো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত শ্ৰীশ্বাহে কয় যে নিজামাবাদত ৰাষ্ট্ৰীয় হালধী বোৰ্ড স্থাপনৰ বাবে হালধী খেতিয়কসকলৰ ৪০ বছৰীয়া সপোনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাস্তৱায়িত কৰিলে। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰ হালধী খেতিয়কসকলৰ কল্যাণৰ বাবে দায়বদ্ধ আৰু ২০৩০ চনৰ ভিতৰত হালধীৰ ৰপ্তানীৰ পৰিমাণ ১ বিলিয়ন ডলাৰৰ সাফল্য অৰ্জন কৰিব পৰা যাব। তেওঁ কয় যে নিজামাবাদৰ হালধী খেতিয়কসকলৰ উন্নত মানৰ

হালধী উৎপাদন কৰে যদিও তেওঁলোকে উচিত মূল্য লাভ নকৰে। এই বোৰ্ডৰ ফলত এতিয়া খেতিয়কসকলে নতুন দক্ষতা আৰু পদ্ধতিৰ সহায়ত হালধী খেতি কৰিব পাৰিব। কেন্দ্ৰীয় কয়লা মন্ত্ৰী জি কিষাণ ৰেড্ডী, গৃহ দপ্তৰৰ ৰাজ্যমন্ত্ৰী বি সঞ্জয় কুমাৰৰ লগতে তেলেংগানাৰ কেইবাগৰাকী মন্ত্ৰী অনুষ্ঠানত উপস্থিত থাকে।

০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ধৰমশালাৰ তপোবনত কাইলৈ Commonwealth Parliamentary Associationৰ দ্বিতীয় মণ্ডলৰ বাৰ্ষিক সন্মিলন মুকলি কৰিব। ইয়াৰ অধীনত দিল্লী, হাৰিয়ানা, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ আৰু পাঞ্জাব আছে। গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ সুদৃঢ়কৰণৰ বাবে মঞ্চ প্ৰদানৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হৈছে। বৰ্তমান যুগত প্ৰশাসন আৰু বিধানপালিকাসমূহৰ কাম-কাজ উন্নত কৰাৰ বাবে ল'বলগীয়া পদক্ষেপৰ বিষয়ে আলোচনাৰ বাবে এই সন্মিলনৰ আয়োজন কৰা হৈছে। ডিজিটেল যুগত সুপ্ৰশাসন শীৰ্ষক বিষয়েৰে আয়োজন কৰা এই সন্মিলনত উৎসসমূহৰ ব্যৱস্থাপনা, গণতন্ত্ৰৰ সুৰক্ষা প্ৰদান আৰু উদ্ভাৱনক আকোৱালি লোৱা বিষয়েৰে আয়োজন কৰা হৈছে। Commonwealth Parliamentary Association হৈছে বিশ্ব পৰ্যায়ৰ এই সংস্থাই সংসদীয় গণতন্ত্ৰ সুদৃঢ় কৰাৰ উদ্দেশ্যেৰে সাংসদসকলক একত্ৰিত কৰে।

০০০০

ওড়িশা চৰকাৰে পুৰীৰ গুণ্ডিছা মন্দিৰৰ সমীপত মহাপ্ৰভু শ্ৰীশ্ৰীজগন্নাথ ৰথযাত্ৰাৰ সময়ত আজি নিচেই পুৱা পদপৃষ্টৰ ফলত কেইবাগৰাকী লোকৰ মৃত্যু হোৱা ঘটনাৰ তদন্তৰ বাবে এখন উচ্চ পৰ্যায়ৰ কমিটি গঠনৰ নিৰ্দেশ দিছে। ওড়িশাৰ উন্নয়ন আয়ুক্ত অনু গাৰ্গে, দুগৰাকী মহিলাসহ ৩ গৰাকী ভক্তৰ মৃত্যু হোৱাৰ লগতে আন কেইবাগৰাকীও লোক গুৰুতৰভাৱে আহত হোৱাৰ ঘটনাটোৰ  তদন্ত কৰিব। আজি নিচেই পুৱা চাৰে চাৰি বজাৰ ভিতৰত প্ৰভু জগন্নাথ, বলভদ্ৰ আৰু দেৱী সুভদ্ৰাক তেওঁলোকৰ ৰথত দৰ্শনৰ বাবে অতি ভীৰ হোৱাৰ ফলত এই ঘটনাটো সংঘটিত হয়। ইতিমধ্যে ওড়িশা চৰকাৰে নিহত লোকৰ নিকটআত্মীয়লৈ ২৫ লাখ টকাকৈ এককালীন সাহায্য দিয়াৰ কথা ঘোষণা কৰিছে। কৰ্তব্যত গাফিলতি কৰাৰ বাবে ওড়িশা চৰকাৰে ইতিমধ্যে জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষকগৰাকীক বদলি কৰিছে। আৰক্ষীৰ আন দুগৰাকী শীৰ্ষ  বিষয়াকো তেওঁলোকৰ সেৱাৰ পৰা বৰ্খাস্ত কৰা হৈছে। মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে এই ঘটনাটোৰ বাবে গভীৰ দুখ প্ৰকাশ কৰিছে। তেওঁ কয় যে চৰকাৰে ভক্তৰ সুৰক্ষাৰ অবহেলাৰ ক্ষেত্ৰত কেতিয়াও সহ্য নকৰে।

০০০০

উত্তৰাখণ্ডৰ উত্তৰকাশী জিলাৰ চিলাই বান্দৰ সমীপত আজি পুৱা ডাৱৰ বিস্ফোৰণৰ পাছত অঞ্চলটোত উদ্ধাৰ অভিযান অব্যাহত আছে। ডাৱৰ বিস্ফোৰণৰ ফলত অঞ্চলটোৰ নিৰ্মাণস্থলীত কৰ্মৰত ৯ গৰাকী শ্ৰমিক নিৰুদ্দেশ হৈ আছে। এন ডি আৰ এফ, এছ ডি আৰ এফ আৰু স্থানীয় আৰক্ষীয়ে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। আমাৰ সংবাদদাতাই জানিবলৈ দিয়া অনুসৰি ডাৱৰ বিস্ফোৰণৰ সময়ত নিৰ্মানস্থলীত কৰ্মৰত ১৯ গৰাকী শ্ৰমিকৰ ভিতৰত ১০ গৰাকীক সুকলমে উদ্ধাৰ কৰা হয়। সমগ্ৰ ৰাজ্যখনতে  প্ৰবল বৃষ্টিপাত হৈ থকাৰ পৰিপ্ৰেক্ষিতত আজি চাৰিধাম যাত্ৰা বাতিল কৰা হৈছে।

০০০০

সমগ্ৰ দেশতে আজি ৯ দিন পূৰ্বে অহা মৌচুমী বতাহৰ প্ৰভাৱত প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। উত্তৰ পূৰ্বাঞ্চলৰ লগতে ঝাৰখণ্ড, ওড়িশা, বিহাৰ, মধ্যপ্ৰদেশ, চত্তিশগড়, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, উত্তৰ প্ৰদেশ, গোৱা, গুজৰাটত আজিৰে পৰা ৭ দিন ধৰি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সঞ্চালক প্ৰধান মৃত্যুঞ্জয় মহাপাত্ৰই জানিবলৈ দিছে যে, দক্ষিণ পশ্চিম মৌচুমী প্ৰভাৱত অহা ৮ জুলাইলৈকে সমগ্ৰ দেশতে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। তেওঁ জানিবলৈ দিছে যে, অনাগত দু দিনত মধ্য ভাৰত আৰু উত্তৰ পশ্চিম ভাৰতত প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০

ৰাজস্থানৰ ভৰতপুৰ জিলাত আজি পাইপলাইনৰ বাবে খান্দি থোৱা এটা দ' গাতত কাম কৰি থকা অৱস্থাত হঠাৎ মাটি খহি যোৱাৰ ফলত ৪ গৰাকী লোক নিহত হোৱাৰ লগতে আন ৮ গৰাকী লোক আহত হয়। ৰুপৱাচ আৰক্ষী থানাৰ সমীপৰ নাংলা গাওঁৰ ওচৰত এই দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০

বাৰ্লিনত অনুষ্ঠিত মহিলাৰ এফ আই এইচ্ প্ৰ' লীগ হকী প্ৰতিযোগিতাত আজি ভাৰতে নিজৰ অন্তিমখন খেলত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৮ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত এখন খেলত চীনে ভাৰতক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। কালিৰ খেলখনত ভাৰতে সুন্দৰ আৰম্ভ কৰে আৰু চতুৰ্থ মিনিটত এটা পেনাল্টি কৰ্ণাৰৰ সুযোগ লাভ কৰে যদিও গ'ল কৰাত ব্যৰ্থ হয়।

০০০০

সমাপ্ত